| | | | |
|---|---|---|---|
| 1. | **Name of the Programme** | **:** | **The 'Wall magazine of Assamese Department' was inauguration and 'Sahitya path' programmes.** |
| 2. | Date | : | 01/06/2022 |
| 3. | In connection with observation of ………………. Day (If any) | : | N/A |
| 4. | Organized by | : | Department of Assamese, B.N. College, Dhubri |
| 5. | Name of Resource person/judges | : | 1. Dr. Geeta Sarkar, Ex. Professor, P.B. College, Gauripur.<br>2. Dr. Pramathesh Bayan, Ex. Vice Principal, Bijni College, Bijni. |
| 6. | Number of participants/students | : | 200 |
| 7. | Name, Class, Roll no of the winners | : | N./A |

8. A brief write up of the programmme (with web snaps/phots):

The 'Wall Magazine of Assamese Department' was inauguration and 'Sahitya path' programmes were organized by the Language Literature club and Assamese Department of Dhubri Bholanath College on 01/06/2022. The programme opening song was performed by the post graduate students of Assamese Department at the meeting hosted by Dr. Upendrajit Sarma, Head of Assamese Department and Magazine Editor, Asam Sahitya Sabha. The welcome address was delivered by Dr. Dhruba Chakraborty, Principa, B.N. College, Dhubri.

Dr. Geeta Sarkar, eminent writer and retired Professor of Gauripur P.B. College, who was the chief guest at the meeting, discussed Assamese poetry-literature in detail and was the distinguished guest by Dr. Pramathesh Bayan, Retired Vice Principal, Bijni College.

Dr. Alaka Sarma, Associate Professor, Assamese Department, Dhubri Bholanath College, recited the Selfcomposed poetry at the programme. The meeting was attended by more than 200 students including college vice Principal Rita Bora, Associate Professor Karuna Kanta Das, Assistant Professor Dr. Poli Bezbaruah, Saiful Hasan, Deboshri Rai. The meeting concluded with a national anthem performance.



# ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত প্ৰাচীৰ পত্ৰিকা উন্মোচন

**দৈনিক আমাৰ প্ৰণাম সেৱা, ধুবুৰী , ২ জুনঃ** ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ভাষা-সাহিত্য চ'ৰা অসমীয়া বিভাগৰ উদ্যোগত আজি অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা সৃষ্টিৰ বসন্ত সংখ্যাটো উন্মোচনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য পাঠৰ এক ব্যতিক্ৰমধৰ্মী অনুষ্ঠানৰ আয়োজন কৰা হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড উপেন্দ্ৰজিৎ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সেই সভাখনত আৰম্ভণি গীত পৰিৱেশন কৰে অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ- ছাত্ৰী বৃন্দই। আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্য ক্ষ ড. ধ্ৰুৱ চক্ৰৱৰ্তীয়ে অসমীয়া বিভাগৰ এনেধৰণৰ সৃষ্টিশীল অনুষ্ঠানৰ শলাগ কৰি। আজিৰ সভাখনত মুখ্য অতিথিৰূপে উপস্থিত থকা বিশিষ্ট সাহিত্যিক তথা গৌৰীপুৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড গীতা সৰকাৰে অসমীয়া কাব্য সাহিত্যৰ গতিধাৰা সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। সভাখনত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে স্বৰচিত কবিতা,গল্প আদি পাঠ কৰে। সভাখনত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা বিজনী মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক ডঃ প্ৰমথেশ বায়নে নিজৰ ভাষণত যে ছাত্ৰ-ছাত্ৰীৰ এই ধৰণৰ সৃষ্টিশীল সাহিত্যৰ কছৰৎ আৰু মহাবিদ্যালয়ৰ প্ৰচেষ্টাই তেওঁলোকক সাহিত্যৰ পথাৰখনত আগবাঢ়ি যোৱাত সহায় কৰিব বুলি উল্লেখ কৰে। ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড অলকা শৰ্মাই অনুষ্ঠানটোত স্বৰচিত কবিতা পাঠ কৰে। সভাখনত মহাবিদ্যালয়ৰ উপাধ্যক্ষা ৰীতা বৰা, সহযোগী অধ্যাপক ড কৰুণা কান্ত দাস, সহকাৰী অধ্যাপক ড পলী বেজবৰুৱা, ছাইফুল হাচান, দেৱশ্ৰী ৰায়কে ধৰি দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল। অন্তত জাতীয় সংগীত পৰিবেশনেৰে আজিৰ সেই সভাখনৰ সামৰণি পৰে।







